**শৈক্ষিক পৰ্যবেক্ষণৰ পৰিসৰ (Scope of Educational Supervision) :**

পৰ্যবেক্ষণৰ পৰিধি বা পৰিসৰ বুলিলে ই শিক্ষাৰ গোটেই শিকন শিক্ষণ প্ৰক্ৰিয়াটোকে সামৰি লয়। আধুনিক পৰ্যবেক্ষণৰ পৰিসৰ ব্যাপক বুলি কোৱাৰ অন্তৰালত আছে, ই শিক্ষকৰ শিক্ষাদান কাৰ্য পৰ্যবেক্ষণ কৰি মূল্যায়ন কৰাৰ উপৰিও শৈক্ষিক পৰিবেশ আদিৰ লগত সম্পৰ্কিত সকলো দিশৰ বিকাশত সহায় কৰে। সাধাৰণতে পৰ্যবেক্ষণৰ কেতবোৰ উপাদানক কেন্দ্ৰ বিন্দু হিচাপে ধৰি পৰ্যবেক্ষণ সফল ভাৱে ৰূপায়িত হোৱা দেখা যায়। সেইসমূহ হ'ল—

Scanned with CamScanner

(ক) শিক্ষক
(খ) শিক্ষাৰ্থী
(গ) পাঠ্যক্ৰম
(ঘ) শিক্ষণীয় সজুলি
(ঙ) সামাজিক প্ৰাকৃতিক পৰিবেশ ইত্যাদি।

শিক্ষাৰ গুণগত মানদণ্ড বৃদ্ধি কৰাত শিক্ষানুষ্ঠানখনৰ মানৱ সম্পদৰ লগতে ভৌতিক সম্পদবোৰে যথেষ্ট সহায় কৰে। মানৱ সম্পদৰ বিকাশ শিক্ষণীয় পৰিবেশত বৃদ্ধি কৰিবলৈ হ'লে উপযুক্ত নিৰ্দেশনা আৰু পৰ্যবেক্ষণৰ প্ৰয়োজন হয়। তলত শৈক্ষিক পৰ্যবেক্ষণৰ পৰিসৰৰ ভিতৰত অন্তৰ্ভূক্ত হৈ থকা বিভিন্ন দিশসমূহ আলোচনা কৰা হৈছে।-

**(ক) নিদেৰ্শানামূলক কাৰ্য (Instructional Work) :**

প্ৰকৃতাৰ্থত শিক্ষাৰ ক্ষেত্ৰত নিৰ্দেশানামূলক কাৰ্যৰ উন্নয়নেই হ'ল শৈক্ষিক পৰ্যবেক্ষণ। শিক্ষাদানৰ কৌশল, পদ্ধতি, শিক্ষাৰ ক্ষেত্ৰত শিকন শিক্ষণ সজুলিৰ ব্যৱহাৰ, শিক্ষাদানমূলক কাৰ্য সমূহৰ বাবে নিৰ্দ্ধাৰিত সময়, পাঠ্যক্ৰমৰ বিতৰণ আৰু শিক্ষানুষ্ঠানখনৰ সকলো মানৱ সম্পদৰ মাজত কৰ্মৰ বিতৰণ, শিক্ষাদানৰ উন্নয়ন কাৰণে বিভিন্ন ধৰণৰ প্ৰকল্প, শিক্ষকৰ দিনলিপি ইত্যাদিবোৰকে শৈক্ষিক পৰ্যবেক্ষণৰ দায়িত্বৰ ভিতৰত পৰে। গতিকে শৈক্ষিক পৰ্যবেক্ষণৰ প্ৰথম আৰু মূখ্য পৰিসৰৰ ভিতৰত নিৰ্দেশনামূলক কাৰ্য অন্যতম।

**(খ ) সহপাঠ্যক্ৰমিক কাৰ্যাৱলী (Co-curricular Activities) :**

শৈক্ষিক পৰ্যবেক্ষণৰ অন্তৰ্গত অন্যতম গুৰুত্বপূৰ্ণ আন এটা দিশ হৈছে সহপাঠ্যক্ৰমিক কাৰ্যসমূচীসমূহৰ প্ৰয়োজনীয়তা আৰু মূল্যায়ন। শিক্ষানুষ্ঠানত প্ৰচলিত খেলা ধূলা, নাচ-গান, আলোচনী, প্ৰাচীৰ পত্ৰিকা, প্ৰদৰ্শনী, ছাত্ৰ একতা সভা আদিয়ে শিক্ষাৰ্থীসকলৰ বৌদ্ধিক, শাৰীৰিক , আবেগিক আৰু সামাজিক দিশত যথেষ্ট বিকশাই তোলে। গতিকে শিক্ষা ব্যৱস্থাৰ অন্যতম এটা গুৰুত্বপূৰ্ণ অংগ হিচাপে শৈক্ষিক পৰ্যবেক্ষণে ইয়াৰ ফলপ্ৰসূতাৰ ওপৰত চকু দিব লাগে।

**(গ) শিক্ষানুষ্ঠানৰ পৰিৱেশ (School Evnironment) :**

শৈক্ষিক পৰ্যবেক্ষণে বিদ্যালয়খনৰ চৌপাশ পৰিষ্কাৰ পৰিচ্ছন্ন আছে নে নাই উপযুক্ত খোৱাপানীৰ ব্যৱস্থা, প্ৰয়োগশালা (Laboratories), শিক্ষানুষ্ঠানখনৰ সৌন্দৰ্যবৰ্ধন, পৰিষ্কাৰ, শৌচাগাৰ বা প্ৰস্ৰাৱগাৰ আদি ওপৰতো চকু দিয়ে। ছাত্ৰ-ছাত্ৰীৰ দৈহিক আৰু মানসিক স্বাস্থ্য ভালে ৰাখিবলৈ শিক্ষানুষ্ঠানসমূহে লবলগীয়া আঁচনিৰ মূল্যায়ন কৰি প্ৰয়োজন সাপেক্ষে দিহা পৰামৰ্শ প্ৰদান কৰাটোও শৈক্ষিক পৰ্যবেক্ষণৰ অন্যতম গুৰুত্বপূৰ্ণ কৰ্তব্য।

Scanned with CamScanner

**(ঘ) শিক্ষানুষ্ঠানৰ তথ্যপাতি (School Records) :**

প্ৰত্যেক শিক্ষানুষ্ঠানৰ ভেঁটি কেতবোৰ তথ্যপাতি বা নথি পত্ৰৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠে। শিক্ষানুষ্ঠানসমূহৰ এই নিজস্ব নথি পত্ৰ বা তথ্য পাতি শৈক্ষিক পৰ্যবেক্ষকে চকু দিব লাগে। শিক্ষানুষ্ঠানখনৰ মজুত থকা পুঁজি বা ব্যয় সঠিকভাৱে কৰা হৈছে নে নাই তাৰ বিষয়ে পৰ্যবেক্ষক সচেতন হ'ব লাগে।

**(ঙ) শিক্ষানুষ্ঠান সমূহৰ বিকাশ (Development of Educational Institution) :**

শিক্ষা হৈছে এক সামাজিক প্ৰক্ৰিয়া আৰু শিক্ষানুষ্ঠানসমূহ হ'ল সমাজৰ এক ক্ষুদ্ৰ সংস্কৰণ। গতিকে শিক্ষানুষ্ঠান সমূহৰ উপযুক্ত বিকাশৰ লগে লগে সমান্তৰালভাৱে সমাজৰ বিকাশো পৰিলক্ষিত হয়। গতিকে শৈক্ষিক বিকাশৰ লগতে স্থানীয়ালোকৰ বিকাশৰ কাৰণে গ্ৰহণ কৰা পদক্ষেপবোৰ পৰ্যালোচনা কৰি তাৰ সঠিক মূল্যায়ণ কৰা শৈক্ষিক পৰ্যবেক্ষণৰ লগত জড়িত।

**(চ) শিক্ষাৰ্থীসকলৰ বিকাশ (Pupils Growth)**

শিক্ষাৰ মূল লক্ষ্য হৈছে শিক্ষাৰ্থীসকলৰ সৰ্বতোপ্ৰকাৰৰ বিকাশ সাধন কৰা। সেয়েহে শিক্ষাৰ্থীসকলৰ উন্নয়ণৰ বাবে শৈক্ষিক আঁচনিসমূহ বা বিকলাংগ বা অনগ্ৰসৰ সকলৰ বাবে বিশেষ আঁচনি বা প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰি তেওঁলোকৰ কিদৰে আগবঢ়াই নিছে তাৰ বিষয়েও শৈক্ষিক পৰ্যবেক্ষণে গুৰুত্ব দিব লগা হয়। সেয়েহে পৰ্যবেক্ষকজনে বিভিন্ন ধৰণৰ নতুন আঁচনি গ্ৰহণ কৰি শিক্ষাৰ্থীসকলৰ অন্তৰ্নিহিত প্ৰতিভাক বিকশাই তোলাৰ ওপৰত যথেষ্ট গুৰুত্ব দিব লাগে।

**(ছ) শিক্ষকসকলৰ বৃত্তিগত অৰ্হতা বৃদ্ধি (Increase of Occupational Qualification of Teacher) :**

পৰিবৰ্তনশীল সমাজৰ লগত খাপ খাব পৰাকৈ শিক্ষকসকলৰ জ্ঞানৰ পৰিসৰো বৃদ্ধি হ'ব লাগিব। শিকণ শিক্ষণ প্ৰক্ৰিয়াৰ নতুন নতুন কৌশল, পদ্ধতিৰ ব্যৱহাৰ দ্বাৰা শিক্ষকসকলৰ বৃত্তিগত অৰ্হতাৰ বিকাশ সাধন কৰাত আৰু শিক্ষাদানৰ ক্ষেত্ৰত থকা বিভিন্ন দোষ ক্ৰটি সমূহ দূৰ কৰাত শৈক্ষিক পৰ্যবেক্ষণে সহায় কৰে।

**(জ) গৱেষণা আৰু জ্ঞানৰ সমিলিকৰণ (Research and Dissemination of Knwoledge):**

বৰ্তমান শিক্ষাৰ ব্যাপকতাৰ ওপৰত ভিত্তি কৰি গৱেষণাৰ দিশটো পৰ্যবেক্ষণৰ পৰিধিৰ ভিতৰত পৰে। প্ৰত্যেকজন পৰ্যবেক্ষকৰ এক কাৰ্য হ'ল জ্ঞানৰ সংমিশ্ৰণ ঘটোৱা। শিক্ষাদান কাৰ্যৰ লগত দৈনন্দিন জীৱনৰ অভিজ্ঞতা, কৰ্মশালা (Workshop), পাঠ্যক্ৰম পৰিকল্পনাৰ কাৰ্যসমূহো পৰ্যবেক্ষণৰ ভিতৰত অন্তৰ্গত।

ওপৰোক্ত আলোচনাৰ পৰা আমি গম পালো যে শৈক্ষিক পৰ্যবেক্ষণৰ পৰিধি অতি ব্যাপক। ই শিক্ষাৰ সকলো স্তৰৰ, সকলো কাৰ্যৰ লগত জড়িত।

Scanned with CamScanner